# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ২২ এপ্ৰিলৰ পৰা সাঁচি গছৰ খেতি আৰু কৃত্ৰিম ভেঁকুৰ সংস্থাপনৰ কৌশলৰ বিষয়ে অনুষ্ঠিত প্ৰশিক্ষণ কৰ্মশালাৰ কালি সামৰণি পৰে। মেঘালয়ৰ শ্বিলঙত অৱস্থিত উত্তৰ-পূব অঞ্চলৰ সামুহিক সম্পদ ব্যৱস্থাপনা সমিতিৰ অৰ্থ সাহায্যত চাৰিখন ৰাজ্যৰ কুৰি গৰাকী প্ৰশিক্ষাৰ্থীয়ে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণীয়ে কৰ্মশালাৰ উদ্বোধন কৰে। প্ৰশিক্ষণৰ আৰম্ভণিতে প্ৰশিক্ষণ সঞ্চালক ৰাজীৱ কুমাৰ কলিতা আৰু গৱেষণা প্ৰতিষ্ঠানটোৰ সমন্বয়ক তথা জ্যেষ্ঠ বিজ্ঞানী ড° ৰাজীৱ কুমাৰ বৰাই অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলক সাঁচি গছৰ গুৰুত্ব, পুলি বাগান প্ৰস্তুতকৰণ, সাঁচি গছৰ বাৰী গঢ়ি তোলা আদিৰ লগতে আগৰৰ মূল্য সংযোজনৰ ক্ষেত্ৰত প্ৰশিক্ষণ আগবঢ়োৱা হয়। প্ৰশিক্ষণৰ শেষত অনুষ্ঠিত সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কালি ডিব্ৰুগড় পৌৰ নিগম কাৰ্যালয়ৰ সমীপত অৱস্থিত পানী নিষ্কাষণ পাম্প পৰিদৰ্শন কৰি পাম্পটো সঠিকভাৱে কাৰ্যক্ষম হৈ আছে নে নাই তাৰ বুজ লয়। ইয়াৰ পাছতে জিলা আয়ুক্তই জলসম্পদ বিভাগৰ বিষয়াবৰ্গৰ সৈতে মাৰোৱাৰী পট্টিৰ ডিটিপি ডায়েকত উপস্থিত হৈ এ ডি বিৰ অধীনত ৰূপায়ণ হৈ থকা সুৰক্ষামূলক কামকাজৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্তই ম'হানাঘাট, আইথানৰ নগাখেলিয়া আৰু মাটিকটা এলেকাত উপস্থিত হৈ অঞ্চলটোৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লোৱাৰ লগতে খহনীয়া প্ৰতিৰোধৰ কাম-কাজৰো খতিয়ান লয়। জিলা আয়ুক্তগৰাকীৰ এই পৰিদৰ্শন কালত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জলসম্পদ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰমুখ্যে অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

পঞ্চায়ত নিৰ্বাচন উপলক্ষে তিনিচুকীয়া জিলাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদে প্ৰচাৰ অভিযান পূৰ্ণগতিত চলাই আছে। বিজেপিৰ জিলা সভাপতি কুশকান্ত বৰাই জিলাখনৰ বিভিন্ন ঠাইত প্ৰচাৰ চলাই জনসাধাৰণৰ মন আকৰ্ষণৰ প্ৰয়াস অব্যাহত ৰাখে। কংগ্ৰেছ দলেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। দলৰ নেতা গৌৰৱ গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈকে আদিকে ধৰি বিভিন্ন নেতা সদস্যই নিৰ্বাচনী প্ৰচাৰ চলাই বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে। জিলাখনত এইবাৰ ৰাইজৰ দল, অসম জাতীয় পৰিষদৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিগত কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত তিনিচুকীয়া জিলাৰ নৈ, উপনৈ, জান-জুৰিসমূহ পানীৰে উপচি পৰিছে। ফেনে ফুটুকাৰে পানী বাঢ়ি অহাৰ ফলত জিলাখনৰ ৰাইজ শংকিত হৈ পৰিছে। বৰষুণৰ ফলত জিলাখনৰ বিভিন্ন অঞ্চলত বাটপথো বিধবস্ত হৈ পৰিছে। যোৱা নিশাও জিলাখনেৰে পাৰ হৈ যোৱা ধুমুহা বৰষুণৰ ফলত বিভিন্ন ঠাইত গছগছনি উঘালি পৰাৰ লগতে ঠায়ে ঠায়ে বিদ্যুৎসংযোগ ব্যাহত হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীয়ে কৰা নৃশংস আক্ৰমণত ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান চেণ্টাৰ ফ'ৰ ইছলামিক ষ্টাডিজে বিৰোধিতা কৰিছে। সভাপতি চেহিৰ আহমদ আৰু সম্পাদক এম হাছিম আলীয়ে এনে দুষ্কাৰ্যক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে নিৰিহ লোকসকলৰ দুখ-যন্ত্ৰণাত সহমৰ্মিতা প্ৰকাশ কৰিছে। ইছলামিক ষ্টাডিজে মৃতকসকলৰ বিদেহ আত্মাৰ শান্তি কামনা কৰাৰ লগতে দোষীক উপযুক্ত শাস্তি বিহিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

পেহেলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত কালি তিনিচুকীয়া জিলাৰ ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজহুৱা শ্ৰদ্ধা তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত ডুমডুমাৰ বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে এই বৰ্বৰ ঘটনাত জড়িত লোকসকল যাতে কোনো কাৰণতে সাৰি নাযায়, তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ প্ৰতি দাবী জনায়। তেওঁলোকে লগতে পাকিস্তান আৰু বাংলাদেশৰ সৈতে থকা ভাৰতৰ সীমান্তত কটকটীয়াভাবে চীল কৰাৰো দাবী জনায়।

০০০০০০০

তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালে কালি তিনিচুকীয়া নগৰৰ বান পৰিস্থিতি পৰিদৰ্শন কৰে। কালি পুৱা হোৱা বৰষুণৰ ফলত তিনিচুকীয়া নগৰত উদ্ভৱ হোৱা আকস্মিক বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তেওঁ তিনিচুকীয়া পৌৰসভাৰ নলা-নৰ্দমা নিৰ্মাণৰ সৈতে জড়িত বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে কথা পাতে। পৰিদৰ্শন কালত জিলা আয়ুক্তগৰাকীয়ে স্থানীয় ৰাইজৰ সৈতে বাৰ্তালাপত মিলিত হৈ এই পৰিস্থিতৰ অৱসানৰ বাবে এখন কৰ্ম আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়াৰ কথাও প্ৰকাশ কৰে।

০০০০০০০

হিমাচল প্ৰদেশৰ ধৰমশালাত চলি থকা সপ্তম ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছৰ যোগ প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন যোগগুৰু জগদীশ ভঁৰালীয়ে নিজৰ শাখাত সোণৰ পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰা যোগগুৰু জগদীশ ভঁৰালীয়ে ইতিমধ্যে ডুবাই, থাইলেণ্ড, বাংলাদেশকে ধৰি বহুকেইখন দেশত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত

অংশগ্ৰহণ কৰি বিজয়ীৰ সুনাম কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। চলিত মাহৰ ১৬ এপ্ৰিলৰ পৰা চলি থকা এই প্ৰতিযোগিতাৰ কাইলৈ সামৰণি পৰিব।

০০০০০০০

**সমাপ্ত**